# REGIONAL NEWS UNIT

## AKASHVANI :: GUWAHATI

0000000000

**Date : 18-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নগাওঁ জিলাৰ ২৭ খন জিলা পৰিষদৰ সদস্য পদৰ বাবে ৬৬ গৰাকী ১৬৪ খন আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে ৩৫৯ গৰাকী আৰু ১৬৪ খন গাওঁ পঞ্চায়তৰ এহেজাৰ ৬৪০ টা ৱাৰ্ডৰ সদস্য পদৰ বাবে ৩ হেজাৰ ৯৮৩ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। লগতে পঞ্চায়ত নিৰ্বাচনৰ প্ৰতিদ্বন্দী প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হৈছে। জিলাখনৰ এহেজাৰ ৮২১ টা ভোটগ্ৰহণ কেন্দ্ৰত অহা ৭ মে'ত পুৱা চাৰে সাত বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈকে দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে এশটা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব। জিলাখনত ১৭০ গৰাকী চেক্টৰ বিষয়া, ৪৩ গৰাকী জ'নেল বিষয়া নিয়োগ কৰাৰ লগতে ৭ হাজাৰ ৫৭২ গৰাকী অন্যান্য পুৰুষ নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। ইপিনে, মহিলা নিৰ্বাচনী বিষয়াৰ সংখ্যা হৈছে সৰ্বমুঠ ৪৪০ গৰাকী। পঞ্চায়ত নিৰ্বাচনৰ বাবে নগাওঁ জিলাৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে  ১৩ লাখ ৯১ হাজাৰ ৪৮৫ গৰাকী।

তিনিচুকীয়া জিলাৰ পঞ্চায়ত নিৰ্বাচন পৰ্যবেক্ষণৰ বাবে নিয়োজিত ৩ গৰাকী পৰ্যবেক্ষকৰ উপস্থিতিত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ৰাজ্যিক নিৰ্বাচন আয়োগে নিযুক্তি দিয়া পৰ্যবেক্ষক তিনিগৰাকীও অংশগ্ৰহণ কৰি নিৰ্বাচন সন্দৰ্ভত বুজ লয়। তিনিচুকীয়া জিলাত পঞ্চায়ত নিৰ্বাচন উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্বাচন সংক্ৰান্তীয় দলীয় কাম-কাজ সম্পৰ্কে  আলোচনা কৰে। নিৰ্বাচনৰ প্ৰস্তুতি, প্ৰচাৰ আৰু সাংগঠনিক দিশ সন্দৰ্ভত আলোচনা কৰা হয়। সভাত মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক সঞ্জয় কিষাণ, ভাস্কৰ শৰ্মা, সুৰেণ ফুকনকে ধৰি দলৰ জ্যেষ্ঠ নেতা তথা তিনিচুকীয়া জিলাৰ দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে।

ডিব্ৰুগড়ত পঞ্চায়ত নিৰ্বাচনৰ নিৰ্দেশনাসমূহৰ বিষয়ে চেক্টৰ আৰু জ'নেল বিষয়াসকলৰ এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিষয়াসকলক ভোটগ্ৰহণ কেন্দ্ৰসমূহ পুনৰ ভালদৰে পৰিদৰ্শন কৰি যাৱতীয় সা-সুবিধা উপলব্ধ আছে নে নাই বুজ লোৱাৰ লগতে নিৰ্বাচনৰ ভোটগ্ৰহণ কেন্দ্ৰ, ভোটাৰ তালিকা সম্পৰ্কীয় যিকোনো সমস্যাৰ উদ্ভৱ হ'লে তাৎক্ষণিকভাৱে জিলা প্ৰশাসনত অৱগত কৰিবলৈ নিৰ্দেশ দিয়া হয়।

ধেমাজি জিলাতো জিলা প্ৰশাসনে নিৰ্বাচনী পৰ্যবেক্ষকৰ উপস্থিতিত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা জিলা পৰিষদৰ সদস্য আৰু আঞ্চলিক পঞ্চায়ত সদস্য প্ৰাৰ্থীসকলৰ সৈতে তেওঁলোকৰ নিৰ্বাচনী নিৰীক্ষণ, আৰ্হি আচৰণ বিধি আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। হোজাই জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে দায়িত্ব দিয়া পৰ্যবেক্ষক দুগৰাকীয়ে ইতিমধ্যে পোলিং ষ্টেছনসমূহ চোৱা চিতা কৰাৰ লগতে সকলো কাম-কাজ নিয়াৰিকৈ আগবাঢ়িছে।

ooooo

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি মালয়েছিয়াৰ ৰাজধানী কুৱালালামপুৰত দেশখনৰ বিদেশ উপ-মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। তেওঁ মালয়েছিয়াৰ পৰম্পৰাগত জাদিবাতিক বস্ত্ৰশিল্পৰ এখন কৰ্মশালা তথা বিপনীও পৰিদৰ্শন কৰে। ইয়াৰ লগতে দেশখনৰ কেইবাটাও ঔদ্যোগিক সংস্থাৰ সৈতে বৈঠকত মিলিত হয়। বিনিয়োগৰ সম্ভাৱনা লৈ শীঘ্ৰে মালয়েছিয়াৰ ঔদ্যোগিক সংস্থাৰ এটি দল অসমলৈ অহাৰ কথা বুলি তেওঁ সামাজিক মাধ্যমত প্ৰকাশ কৰে।

ooooo

ধুবুৰীৰ ধুৰাৰঘাট গাঁৱৰ প্ৰায় ৫০০ বছৰ পুৰণি বটগছৰ তলত আজি গাওঁৰ ৰাইজে গছ বিহু উদযাপন কৰে। ধুবুৰীৰ আগশাৰীৰ সাংস্কৃতিক সংগঠন কল্পতৰুৰ উদ্যোগত এই গছ বিহু পালন কৰা হয়। গাঁৱৰ ৰাইজে আস্থাৰ প্ৰতীক হিচাপে মানি চলা এই বটগছজোপা কোচ ৰজাৰ শাসন কালৰ সময়ৰে বুলি প্ৰবীন লোকসকলৰ মুখত শুনিবলৈ পোৱা যায়। যোৱা ২৯ বছৰে গছজোপাক বিহুৱান পিন্ধাই সকলোকে হাতে হাতে গছপুলি লৈ বটগছজোপাক উদ্দেশ্যি বিহুগীত গাই আৰু নাচি ৰাইজক গছপুলি ৰোপণৰ প্ৰতি সজাগ, সচেতন কৰি আহিছে।

ooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তমহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত ল'ৰাৰ শাখাত মৰিগাওঁ আৰু বি এইচ মহাবিদ্যালয় তথা ছোৱালীৰ শাখাত গুৱাহাটী বিশ্ববিদ্যালয় আৰু দৰং মহাবিদ্যালয় ফাইনেলত প্ৰবেশ কৰিছে। আজিৰে পৰা দুদিনীয়াকৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়ত মুঠ ২৪ টা দলে ভাগ লৈছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ – এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু

প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছ্এপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ'ব।

বাতৰি বিভাগে পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু আৰু পাঞ্জাৱ কিংছৰ মাজৰ খেলখন বৰষুণৰ বাবে পলমকৈ আৰম্ভ কৰিবলগীয়া হয়। ইতিমধ্যে বেংগালুৰুত বৰষুণ দিয়া বন্ধ হৈছে আৰু কিছুসময় পাছতে টছ্ কৰা হ'ব।

উল্লেখযোগ্য যে দুয়োটা দলেই ছখনকৈ খেলৰ পৰা বৰ্তমান ৮ পইণ্টকৈ লাভ কৰি আছে। অৱশ্যে উন্নত ৰান ৰেটৰ বাবে পইণ্ট তালিকাত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু তৃতীয় স্থানত আৰু পাঞ্জাৱ কিংছ চতুৰ্থ স্থানত আছে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ